

# চেম্পিয়ন নাওমি অ'ছাকা

কিংবদন্তি টেনিছ তাৰকা ছেৰেনা উইলিয়ামছে ১৯৯৯ চনত খেলুৱৈ জীৱনৰ প্ৰথমটো গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ জয় কৰাৰ সময়ত নাওমি অ'ছাকাৰ বয়স আছিল মাথোঁ এবছৰ। আৰু ইয়াৰ ১৯ বছৰ পাছত অৰ্থাৎ ২০১৮ চনত ছেৰেনা উইলিয়ামছক ইউ এছ অ'পেনৰ ফাইনেলত পৰাজিত কৰি অ'ছাকাই দখল কৰিছিল তেওঁৰ খেলুৱৈ জীৱনৰ প্ৰথমটো গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ। চলিত বছৰত জাপানৰ টেনিছ তাৰকাগৰাকীয়ে পুনৰ পৰাজিত কৰিলে ছেৰেনা উইলিয়ামছক। অৱশ্যে টেনিছ ক'ৰ্টত নহয়, উপাৰ্জনৰ দিশৰপৰাহে ছেৰেনাক অতিক্ৰম কৰিলে বৰ্তমান সময়ৰ মহিলা টেনিছৰ সবাতোকৈ চৰ্চিত খেলুৱৈ অ'ছাকাই। বিশ্ব প্ৰসিদ্ধ আলোচনী ফ'ৰ্বছৰ তালিকাত সৰ্বাধিক পাৰিশ্ৰমিক লাভ কৰা মহিলা খেলুৱৈৰূপে অ'ছাকাই শীৰ্ষস্থান দখল কৰিছে। বিগত বছৰটোত অ'ছাকাই প্ৰতিযোগিতাৰ অৰ্থমূল্য আৰু বিভিন্ন বিজ্ঞাপন চুক্তিৰপৰা ৩৭.৪ নিযুত ডলাৰ উপাৰ্জন কৰিছে। অৰ্থাৎ অ'ছাকাই বছৰটোত ভাৰতীয় মূল্যত প্ৰায় ২৭৩ কোটি টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। পূৰ্বে ফ'ৰ্বছে প্ৰকাশ কৰা তালিকাত মহিলা খেলুৱৈ হিচাপে শীৰ্ষত আছিল ছেৰেনা উইলিয়ামছ।

উল্লেখযোগ্য যে চলিত বছৰৰ ইউ এছ অ'পেনতো নাওমি অ'ছাকা চেম্পিয়ন হৈছে। ফাইনেলত অ'ছাকাই বেলাৰুছৰ ভিক্টোৰিয়া আজৰেংকাক ১-৬, ৬-৩, ৬-৩ৰ ব্যৱধানত পৰাজিত কৰিছিল। ফাইনেলখনৰ প্ৰথমটো ছেটত অ'ছাকা ধৰাশায়ী হৈছিল। কিন্তু দুৰ্দান্ত প্ৰত্যাবৰ্তনেৰে পৰৱৰ্তী দুয়োটা ছেটত অ'ছাকাই আজৰেংকাক বিধ্বস্ত কৰিছিল। অ'ছাকাই খেলুৱৈ জীৱনত এই পৰ্যন্ত তিনিটা গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ জয় কৰিছে। ইয়াৰে দুটা ইউ এছ অ'পেন আৰু এটা অষ্ট্ৰেলিয়ান অ'পেন (২০১৯)। ইউ এছ অ'পেনত চেম্পিয়ন হোৱাৰ পাছতে আঘাতজনিত সমস্যাত আক্ৰান্ত হোৱাৰ পৰিণতিত ফ্ৰেন্স অ'পেনৰপৰা অ'ছাকাই নাম প্ৰত্যাহাৰ কৰিছে। সম্প্ৰতি সাময়িকভাৱে ক'ৰ্টৰপৰা আঁতৰি থাকিলেও প্ৰত্যাৱৰ্তনৰ পাছত যে অ'ছাকা ভয়ংকৰ হৈ উঠিব সেয়া নিশ্চিত।

লক্ষণীয় যে ছেৰেনা উইলিয়ামছৰ কেৰিয়াৰ চমু চাপি অহাৰ লগে লগে মহিলা টেনিছত নিৰ্দিষ্ট এগৰাকী খেলুৱৈৰ আধিপত্যৰ অৱসান ঘটিছে। ছেৰেনা বৰ্তমানেও সক্ৰিয় হৈ থাকিলেও মাৰ্কিন যুক্তৰাষ্ট্ৰৰ টেনিছ তাৰকাগৰাকীৰ খেলত পূৰ্বৰ সেই চোক নাই। ইয়াৰ সুযোগ গ্ৰহণ কৰি মহিলা টেনিছত উত্থান ঘটিছে বহুকেইগৰাকী তৰুণী প্ৰতিভাৰ। ইয়াৰ ভিতৰত অ'ছাকা অন্যতম। ২০১৮ চনত ছেৰেনাক পৰাজিত কৰিয়েই অ'ছাকাই নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছিল। ২২ বছৰীয়া অ'ছাকাৰ আৰু বহু খেল বাকী আছে।

অ'ছাকা চেম্পিয়ন খেলুৱৈয়ে নহয়, অ'ছাকা এগৰাকী নিৰ্ভীক আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব পৰা মহিলা। সদ্যসমাপ্ত ইউ এছ অ'পেনত বৰ্ণবৈষম্যৰ বিৰুদ্ধে অ'ছাকাই নিৰৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ আমোলত আমেৰিকাত কৃষ্ণাংগ লোক পুনৰ বৰ্ণবৈষম্যৰ চিকাৰ হৈছে। অ'ছাকা জন্মসূত্ৰে জাপানী হ'লেও তিনি বছৰ বয়সৰপৰাই আমেৰিকাত বাস কৰি আহিছে। টেনিছৰ আদিপাঠো শিকিছিল আমেৰিকাতে। স্বাভাৱিকতে আমেৰিকা যুক্তৰাষ্ট্ৰত কৃষ্ণাংগ লোকৰ ওপৰত আৰক্ষীয়ে চলোৱা উৎপীড়নত ক্ষুব্ধ অ'ছাকা। ইয়াৰ প্ৰতিবাদকল্পে অ'ছাকাই ইউ এছ অ'পেনত খেলা সাতখন খেলত সাতখন ক'লা মাস্ক পৰিধান কৰিছিল। প্ৰতিখন মাস্কতে লিখা আছিল আৰক্ষীৰ আক্ৰমণৰ চিকাৰ হোৱা দুৰ্ভগীয়া কৃষ্ণাংগ লোকৰ নাম। অ'ছাকাই প্ৰথম ৰাউণ্ডত ব্ৰেয়'না টেইলৰ, দ্বিতীয় ৰাউণ্ডত এলিজা মেকক্লেইন, তৃতীয় ৰাউণ্ডত ট্ৰেইভন মাৰ্টিন, চতুৰ্থ ৰাউণ্ডত আহমদ আৰবেৰি, কোৱাৰ্টাৰ ফাইনেলত জৰ্জ ফ্লয়ড, ছেমি ফাইনেলত ফিলাণ্ডো কাষ্টাইল আৰু ফাইনেলত টামিৰ ৰাইছৰ নাম লিখা ক'লা মাস্ক পৰিধান কৰিছিল। এই সাতগৰাকী কৃষ্ণাংগ লোকৰ মৃত্যুৰ বাবে জগৰীয়া আমেৰিকাৰ আৰক্ষী।

### আধিপত্যৰ অৱসান

পুৰুষ টেনিছত গ্ৰেণ্ডশ্লেম মানেই ৰজাৰ ফেডেৰাৰ, নভাক জক'ভিছ আৰু ৰাফেল নাডালৰ আধিপত্য। ফেডেৰাৰ কেৰিয়াৰৰ বিয়লি বেলাত উপনীত হৈছে। জক'ভিছ আৰু নাডালৰো বয়স বাঢ়িছে। তাৰ পাছতো বছৰৰ চাৰিওখন গ্ৰেণ্ডশ্লেমত এই তিনিগৰাকী খেলুৱৈয়ে আধিপত্য বিস্তাৰ কৰি আহিছিল। কিন্তু এইবাৰৰ ইউ এছ অ'পেনত ইয়াৰ যতি পৰিল। পুৰুষৰ ছিংগলছত নতুন চেম্পিয়নৰ আৱিৰ্ভাৱে নতুন যুগৰ সম্ভাৱনা কঢ়িয়ালে বুলি ক'ব পাৰি। ২০১৬ চনত ষ্টানিশ্লাছ ৱাওৰিংকাই ইউ এছ অ'পেনত চেম্পিয়ন হোৱাৰ পাছত ২০১৭, ২০১৮ আৰু ২০১৯ চনত ক্ৰমে ৰাফেল নাডাল, নভাক জক'ভিছ আৰু পুনৰ ৰাফেল নাডালে খিতাপ জয় কৰিছিল। আনহাতে ২০০৪ চনৰ পাছৰপৰা ইউ এছ অ'পেনত সৰ্বাধিকবাৰ চেম্পিয়ন হৈছে ৰজাৰ ফেডেৰাৰ। ছুইজাৰলেণ্ডৰ কিংবদন্তি টেনিছ তাৰকাজনে ২০০৪, ২০০৫, ২০০৬, ২০০৭, ২০০৮ চনলৈকে ৫ বছৰ ফ্লাছিং মিড'ৰ সম্ৰাট হৈ আছিল। আকৌ ২০১০ চনত ৰাফেল নাডাল, ২০১১ চনত জক'ভিছ, ২০১৩ চনত নাডাল আৰু ২০১৫ চনত পুনৰ জক'ভিছে ইউ এছ অ'পেনৰ খিতাপ জয় কৰিছিল। ইয়াৰ মাজতে ২০০৯ চনত জুৱান মাৰ্টিন ডেল পট্ৰ', ২০১২ চনত এণ্ডি মাৰে আৰু ২০১৪ চনত মেৰিন ছিলিছ ইউ এছ অ'পেনত চেম্পিয়ন হৈছিল। কিন্তু ধাৰাবাহিকতাৰ দিশৰপৰা ফেডেৰাৰ, জক'ভিছ আৰু নাডাল অদ্বিতীয়। ২০০৮ চনৰ পাছৰপৰা ফেডেৰাৰে ইউ এছ অ'পেনৰ খিতাপ জয় কৰিব পৰা নাই। অৱশ্যে ২০১০ চনৰ পাছত জক'ভিছ আৰু নাডালে ধাৰাবাহিকভাৱে দপদপনি অব্যাহত ৰাখিছিল। এইবাৰৰ ইউ এছ অ'পেনত লাইন বিচাৰকৰ মুখলৈ বল মাৰি বহিষ্কৃত নহ'লে জক'ভিছ চেম্পিয়ন হোৱাৰ পূৰ্ণ সম্ভাৱনাই আছিল। অনিচ্ছাকৃতভাৱে বল মাৰিলেও জক'ভিছক এইবাৰ এই এছ অ'পেনৰপৰা বহিষ্কাৰ কৰা হৈছিল। লক্ষণীয় যে বিগত পাঁচখন ফাইনেলত জক'ভিছ আৰু নাডালৰ কোনোবা নহয় কোনোবা এজন অৱতীৰ্ণ হৈছিল। কিন্তু এইবাৰ দুগৰাকী নতুন খেলুৱৈৰ মাজত ইউ এছ অ'পেনৰ ফাইনেল অনুষ্ঠিত হৈছে। ফাইনেলত অষ্ট্ৰিয়াৰ ডমিনিক থিয়েমে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। থিয়েমে আলেকজেণ্ডাৰ জেৰেভক ২-৬, ৪-৬, ৬-৪, ৬-৩, ৭-৬ৰ ব্যৱধানত পৰাজিত কৰি খেলুৱৈ জীৱনৰ প্ৰথমটো গ্ৰেণ্ডশ্লেম ছিংগলছ খিতাপ শিৰত ল'লে। ইয়াৰ আগতে থিয়েমে ২০১৮ আৰু ২০১৯ চনৰ ফ্ৰেন্স অ'পেন আৰু চলিত বছৰৰ অষ্ট্ৰেলিয়ান অ'পেনৰ ফাইনেলত উপনীত হৈছিল। কিন্তু তিনিওখন গ্ৰেণ্ডশ্লেম ফাইনেলতে থিয়েম পৰাজিত হৈছিল।

**দিগন্ত চহৰীয়া**
ফোন ঃ ৮৭৫৩৯৮২৪৮৯